*Total number of printed pages–4*

**63 (FY)SEM-1/SEC/ASMSEC1013**

**2024**

# ASSAMESE

Paper : ASMSEC1013

***( Dance Forms of Assam)***

*Full Marks : 50*

*Pass Marks : 20*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৫=৫

(ক) তলৰ কোনবিধ অনুষ্ঠান ৰামায়ণৰ কাহিনীনিৰ্ভৰ ?

*(i)* বিহুগীত

*(ii)* বৈশাগুগীত

*(iii)* কুশানগীত

*(iv)* আইন সবাহৰ গীত

(খ) তলৰ কোনবিধ অনুষ্ঠান অসমৰ বৈষ্ণৱ পৰম্পৰাৰ সৈতে জড়িত ?

*(i)* আইনাম

*(ii)* হাজজাৰ

*(iii)* গায়ন-বায়ন

*(iv)* হুমাংকান

(গ) চালি নৃত্যৰ মূল ভাগ কেইটা ?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(ঘ) 'ৰামদানি' কিহৰ সৈতে জড়িত ?

*(i)* বিহুনাচ

*(ii)* চালিনাচ

*(iii)* ফাৰকান্তি নৃত্য

*(iv)* মণিপুৰী নৃত্য

(ঙ) অংকীয়া নাটৰ জন্ম দিছিল ?

*(i)* শংকৰদেৱ

*(ii)* অনন্ত কন্দলি

*(iii)* মাধৱদেৱ

*(iv)* পীতাম্বৰ কবি



২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) অসমত প্ৰচলিত *দুটা* লোকনৃত্যৰ নাম উল্লেখ কৰা।

(খ) প্ৰাৰম্ভিক পৰ্যাযত নৃত্যৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(গ) ফু-মাৰি সুৰ সৃষ্টি কৰা যিকোনো দুবিধ বাদ্যৰ নাম উল্লেখ কৰা।

(ঘ) বাগুৰুম্বা নৃত্যৰ লগত জড়িত দুবিধ সাজ-পাৰৰ নাম উল্লেখ কৰা।

(ঙ) সত্ৰীয়া নৃত্য কেইপ্ৰকাৰ আৰু কি কি ?

(চ) অসমৰ লোকসংস্কৃতিৰ আভাস গ্ৰন্থাখনৰ লেখক কোন ? গ্ৰন্থখনত ধাইকৈ অসমৰ লোকসংস্কৃতিৰ অন্তৰ্গত কোনবোৰ দিশৰ আলোচনা পোৱা যায় ?

(ছ) হুমজাৰ নৃত্য কোনটো জনগোষ্ঠীৰ লোকনৃত্য ? এই নৃত্য কোনটো বিষয়ৰ লগত বিশেষভাৱে জড়িত উল্লেখ কৰা।

৩। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৫=২৫

(ক) লোকনৃত্য কাক বোলে চমুকৈ বুজাই লিখা। ৫

(খ) নৃত্য কাক বোলে ? নৃত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰা। ২+৩=৫

(গ) গায়ন-বায়নৰ পৰিবেশনত ব্যৱহৃত সাজ-পোছাক সম্পৰ্কে এটি চমু আভাষ দিয়া। গায়ন-বায়নে পৰিবেশন কৰা বিবিধ ধেমালি সম্পৰ্কে তোমাৰ অভিমত ব্যক্ত কৰা। ৩+২=৫



*Contd.*

(ঘ) চমুটোকা লিখা ঃ কুশান নৃত্য

(ঙ) মাটিআখৰা কি ? মাটি আখৰাই মানৰ শৰীৰক কিদৰে উপকৃত কৰিব পাৰে বুলি তুমি ভাবা, বুজাই লিখা। ২+৩=৫

(চ) সত্ৰীয়া নৃত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে চমুকৈ বুজাই লিখা।

(ছ) নৃত্যৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(জ) নৃত্য কিদৰে সভ্যতাৰ পৰিচায়ক হ'ব পাৰে বুলি তুমি ভাবা, বুজাই লিখা। ৫

৪। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×১=১০

(ক) বিহুনাচ কি ? বিহু নাচৰ লগতে জড়িত লোকবাদ্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৪+৬=১০

(খ) অসমত প্ৰচলিত যিকোনো দুবিধ লোকনৃত্যৰ বিষয়ে এটি পৰিচয়মূলক প্ৰবন্ধ যুগুত কৰা। ৫+৫=১০